অধ্যায় ২ ঃ ধ্বনিতত্ত্বৰ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ধ্বনি — সাধাৰণ পৰিচয়
২.৪ বাগিন্দ্রিয়
২.৫ স্বৰ আৰু ব্যঞ্জনধ্বনি
২.৬ বিশিষ্ট ধ্বনি আৰু উপধ্বনি
২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৮ অধিক জানিবলৈ
২.৯ অগ্রগতিৰ খতিয়ান
২.১০ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- ধ্বনি মানে কি সেই বিষয়ে অৱগত হ'ব
- আমাৰ শৰীৰৰ ধ্বনি উচ্চাৰণত সহায়ক বিভিন্ন অঙ্গসমূহৰ অর্থাৎ বাগিন্দ্রিয়ৰ পৰিচয় লাভ কৰিব
- ধ্বনিৰ সূত্র নির্ণয় কৰি স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি কাক বোলে উদাহৰণসহ ব্যাখ্যা কৰিব পাৰিব
- দ্বিস্বৰধ্বনি সম্পর্কে সম্যক ধাৰণা লাভ কৰিব
- বিশিষ্ট ধ্বনি আৰু উপধ্বনিৰ সম্পর্ক আৰু পার্থক্য আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি ব্যাকৰণৰ বুৎপত্তিগত অর্থ, ব্যাকৰণৰ সংজ্ঞা, পৰম্পৰাগত ব্যাকৰণ আৰু আধুনিক ব্যাকৰণ মানে কি সেই বিষয়ে অধ্যয়ন কৰিলোঁ। লগতে ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব মানে কি সেই বিষয়ে সম্যক ধাৰণা লাভ কৰাৰ লগতে ব্যাকৰণৰ শ্রেণীবিভাগ আৰু ব্যাকৰণৰ উপাদান সম্পর্কেও অধ্যয়ন কৰিলোঁ। প্রসংগক্রমে অসমীয়া ভাষাৰ ব্যাকৰণ চর্চাৰ বিষয়েও কিছু কথা অৱগত হ'লোঁ। এই অধ্যায়টোত আমি ধ্বনিতত্ত্ব সম্পর্কে চমুকৈ অধ্যয়ন কৰিম। ভাষাৰ মূল সামগ্রী ধ্বনি। ধ্বনিৰ অধ্যয়নৰ বাবে ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বিশিষ্ট

ধ্বনিবিজ্ঞান বা বৰ্ণবিজ্ঞান আদি কেইবাটাও শাখা আছে।

বাক্‌ধ্বনিৰ বিষয়ে য'ত আলোচনা কৰা হয় তাকে ধ্বনিবিজ্ঞান বোলে। বিশিষ্ট ধ্বনিবিজ্ঞানত নির্দিষ্ট ভাষাৰ বাক্‌ধ্বনিসমূহৰ গঠনাত্মক দিশসমূহ আলোচনা কৰা হয়। আনহাতে কোনো ভাষাৰ ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞানৰ সমস্ত আলোচনা য'ত থাকে তাকে সেই ভাষাৰ ধ্বনিতত্ত্ব বোলা হয়। এই অধ্যায়ত ধ্বনি মানে কি সেই সম্পর্কে অৱগত হোৱাৰ লগতে ধ্বনি সৃষ্টিৰ বিভিন্ন অঙ্গসমূহৰ অর্থাৎ বাগিন্দ্রিয়ৰ পৰিচয় লাভ কৰিব। লগতে স্বৰ আৰু ব্যঞ্জনধ্বনি, বিশিষ্ট ধ্বনি আৰু উপধ্বনি আদি বিষয়ৰ আলোচনা দাঙি ধৰা হৈছে। আপুনি অধ্যায়টি অধ্যয়ন কৰি ওপৰত উল্লেখ কৰা ধ্বনিতত্ত্বৰ বিষয়সমূহ অনুধাৱন কৰিবলৈ সক্ষম হ'ব।

২.৩ ধ্বনি — সাধাৰণ পৰিচয়

ভাষা মানুহৰ ভাব প্রকাশৰ মাধ্যম। প্রতিটো ভাষাৰে ভাব প্রকাশৰ নিজস্ব বৈশিষ্ট্য থাকে। সেয়েহে জার্মান ভাষী এজন লোকে জার্মান ভাষা নজনা এজন অসমীয়া ভাষীৰ লগত ভাব বিনিময় কৰিব নোৱাৰে, কাৰণ জার্মান ভাষাৰ স্বৰূপ আৰু অসমীয়া ভাষাৰ স্বৰূপ সম্পূর্ণ পৃথক। যিবোৰ বিশেষ নিয়ম বা বৈশিষ্ট্যৰ বাবে অসমীয়া আৰু জার্মান ভাষা পৰস্পৰ পৃথক সেইবোৰ নিয়ম বা বৈশিষ্ট্যৰে এটা প্রধান ভাগ হ'ল ধ্বনিতত্ত্ব।

আপুনি নিশ্চয় জানে যে ইংৰাজী Sound শব্দৰ প্রতিশব্দ হিচাপে অসমীয়াত 'ধ্বনি' শব্দৰ প্রয়োগ কৰা হয়। বহল অর্থত চৰাই-চিৰিকটি, জীৱ-জন্তুৰ মাত, ৰেলৰ উকি, গাড়ী মটৰৰ ঘৰ্‌ ঘৰণি, পেঁপাৰ মাত, হুইচেলৰ মাত আদি সকলোবোৰেই ধ্বনি। কিন্তু ভাষাবিজ্ঞানত একমাত্র মানুহৰ বাগ্‌যন্ত্রৰ সহায়ত অর্থাৎ মুখেৰে উচ্চাৰিত হোৱা ধ্বনিৰহে আলোচনা কৰা হয়।


এতিয়া আপুনি প্রশ্ন কৰিব পাৰে, মানুহেনো এই ধ্বনিবোৰ কেনেদৰে সৃষ্টি কৰে? দৰাচলতে হাঁওফাঁওৰ পৰা নির্গত বায়ুপ্রৱাহক বাগ্‌যন্ত্রৰ বিভিন্ন অংগৰ সহায়ত বিভিন্ন ধৰণে নিয়ন্ত্রণ অথবা বাধা প্রদান কৰিলে ধ্বনিৰ সৃষ্টি হয়। অৱশ্যে বাহিৰৰ পৰা মুখেৰে বতাহ শুহি নিও ধ্বনিৰ সৃষ্টি কৰিব পাৰি; কিন্তু এনে ধ্বনিৰ সংখ্যা সীমিত আৰু অসমীয়া ভাষাত এনে বাক্‌ধ্বনি নাই। ধ্বনিৰ সৃষ্টিত বাগ্‌যন্ত্রৰ ভূমিকা অতি গুৰুত্বপূর্ণ। বাগ্‌যন্ত্র বুলিলে মানৱদেহৰ কোনো এটা নির্দিষ্ট যন্ত্রক নুবুজায়। ই মানৱদেহৰ বিভিন্ন অংগৰ সমন্বয়েৰে গঠিত। ইয়াৰ পৰাই আমি ক'ব পাৰোঁ যে, ভাষাৰ ধ্বনি হ'বলৈ সেই ধ্বনি মানুহৰ বাগ্‌যন্ত্র বা বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত হ'ব লাগিব। মানুহৰ বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত Soundক (Speech Sound) বুজাবলৈ ব্যৱহৃত শব্দটো হ'ল— Phone বা বাগ্‌ধ্বনি। সাধাৰণভাৱে ভাষাৰ ক্ষেত্রত ব্যৱহৃত বাগ্‌ধ্বনি (Phone)-কো 'ধ্বনি' বুলিয়েই কোৱা হয়। মনকৰিবলগীয়া, মানুহৰ বাগ্‌যন্ত্রৰ সহায়ত উচ্চাৰিত সকলো ধ্বনিয়েই ভাষাত ব্যৱহাৰ নহয়। যেনে— উৰুলি, সুহুৰি, শিশুৰ অস্ফুট ধ্বনি, বিকাৰগ্রস্তজনৰ প্রলাপ ইত্যাদি। গতিকে কেৱল মানুহৰ বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত আৰু ভাষাত ব্যৱহৃত (অর্থপূর্ণ) ধ্বনিহে ভাষাবিজ্ঞানৰ ভিতৰুৱা।

দৈনন্দিন জীৱনত আমি অনায়াসে বহু কথা কওঁ— ভাব প্রকাশ কৰোঁ। কিন্তু এই কথা কোৱা কামটো আমি বিশেষ এটা পদ্ধতি মতেহে কৰো। মাতৃভাষী এজনৰ বাবে এয়া স্বতঃস্ফূর্ত সাংস্কৃতিক কার্য। আমি কোৱা কথাবোৰ আচলতে কিছুমান ধ্বনিৰ প্রণালীবদ্ধ সাজোন (arrangement)। যেনে — 'তুমি কি কৰিছা?' —এই বাক্যটোত তিনিটা খণ্ড আছে— তুমি/ কি/কৰিছা? —প্রতিটো খণ্ডক ক্রমে ত+উ+ম+ই /ক+ই /ক+অ+ৰ+ই+ছ+আ এইদৰে ভগাব পাৰি। অর্থাৎ ত, উ, ম, ই আদি ধ্বনিবোৰ বিশেষ ক্রমত সজাই আমি এটা সম্পূর্ণ ভাব প্রকাশ কৰিব পাৰিলোঁ। কিন্তু ধ্বনিবোৰৰ ক্রমগত সজ্জাটোৱেই শেষ কথা নহয়, তাৰ লগত আন কথা কিছুমানো জড়িত হৈ থাকে। তুমি খালা? আৰু তুমি খালা। এই বাক্য দুটাত একে কেইটা ধ্বনিয়ে একেটা ক্রমত সজোৱা হ'লেও দুয়োটা বাক্য কওঁতে এটা স্পষ্ট পার্থক্য আমাৰ কাণত ধৰা পৰে। এই পার্থক্যটো হ'ল সুৰৰ। সুৰটো ধ্বনিবোৰৰ উচ্চাৰণৰ মাজতে নিহিত থাকে।

আকৌ মন কৰক, ওপৰত যদিও আমি ধ্বনিবোৰ ত, উ, ম, ই আদিকৈ লিখিছোঁ, আচলতে ধ্বনিক দেখা নাযায়— শুনাহে যায়। বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিবোৰ ভৌতিক আৰু জৈৱিক প্রক্রিয়াৰে আমাৰ কাণত পৰে আৰু আমি শুনো, শুনি বুজি পাওঁ। এই যে উচ্চাৰণ কৰাৰ পৰা শুনি বুজালৈকে গোটেই প্রক্রিয়াটো দেখাত তেনেই সহজ যদিও স্বৰূপার্থত অতি সূক্ষ্ম আৰু জটিল। ধৰা হওক — শব্দ, কুশ, শ্লীল — এই তিনিটা শব্দত ব্যৱহৃত 'শ' ধ্বনিটো উচ্চাৰণ কৰোতে তিনিওটা শব্দৰ 'শ' ধ্বনিটো বেলেগ বেলেগ ৰূপত আমাৰ কাণত বাজে। অথচ তিনিটা শব্দত ব্যৱহৃত 'শ' তিনিটা আমি এটা 'শ' ধ্বনি বুলিয়েই কৈছোঁ। একেদৰে 'লাভ' আৰু 'ভাল' শব্দ দুটাৰ ভ ধ্বনি দুটাৰ উচ্চাৰণ মন কৰক— একে নহয়। গতিকে শব্দ, কুশ, শ্লীল ৰ 'শ' ধ্বনি তিনিটাক একেটা ধ্বনি বুলি ভবাৰ কাৰণ হ'ল এই ধ্বনি তিনিটাৰ প্রকৃতিগত লক্ষণ। আনহাতে, তিনিওটাৰ উচ্চাৰণৰ যি ভিন্নতা আমাৰ কাণত পৰিছে সেয়া প্রায়োগিক ক্ষেত্রৰ কথা। 'শব্দ'ৰ 'শ'টো আদিস্থান, 'কুশ'ৰ 'শ'টো শেষস্থানত আৰু 'শ্লীল'ৰ 'শ' টো ল-ৰ লগত যুক্তৰূপত। তিনিওটা 'শ' আচলতে এটা মূল 'শ' ধ্বনিৰে উচ্চাৰণ বৈচিত্র্য। এই মূল 'শ' ধ্বনিটোক ভাষাবিজ্ঞানৰ নিয়মত কোৱা হয় বিশিষ্টধ্বনি (Phoneme) আৰু উচ্চাৰণ-বৈচিত্র্যগত ৰূপ তিনিটা মূল ধ্বনিৰে উপধ্বনি (Allophone)। এই তিনিটা বিষয় ক্রমে Phone (ধ্বনি) Phoneme (বিশিষ্টধ্বনি) আৰু Allophone (উপধ্বনি)ৰ আলোচনাই ধ্বনিবিষয়ক দুটা শাখাৰ সৃষ্টি কৰিছে— ধ্বনিবিজ্ঞান (Phoneme) আৰু বিশিষ্টধ্বনি বিজ্ঞান বা বর্ণবিজ্ঞান (Phonemics)।

- **ধ্বনিবিজ্ঞান (Phonemics) ঃ** বাগ্‌ধ্বনি উচ্চাৰণ হয় বাগিন্দ্রিয়ৰ দ্বাৰা। হাওঁফাওঁৰ পৰা প্রৱাহিত বায়ুৰে মুখবিবৰ, নাসিকাবিবৰ আদিৰে কিদৰে কেতিয়াবা মুক্তভাৱে, কেতিয়াবা বাধাৰ মাজেৰে ওলাই বায়ুত নানা তৰংগৰ সৃষ্টি কৰে, সেই তৰংগ কিদৰে বতাহত ভাহি কাণত পৰে, কাণৰ পৰা তাৰ বার্তা মগজুলৈ গৈ তাৰ অর্থ উদ্‌ঘাটন হয়— এই গোটেই প্রক্রিয়াটো ধ্বনিবিজ্ঞানৰ আলোচ্য বিষয়। কথাখিনি তলৰ ৰেখা চিত্রৰ পৰা আপুনি নিশ্চয় পৰিষ্কাৰকৈ বুজিব পাৰিব—

চিত্ৰ নং ২.১



ওপৰৰ ৰেখাচিত্ৰৰ (১) (২) (৩) স্তৰ অনুসৰি ধ্বনিবিজ্ঞানৰ তিনিওটা শাখা—

ক) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান (Articulatory Phonetics)

খ) ধ্বনিতৰংগ বিজ্ঞান (Acoustics) বা ভৌতিক ধ্বনিবিজ্ঞান

গ) শ্ৰুতিমূলক ধ্বনিবিজ্ঞান (Auditory Phonetics)

- **বিশিষ্ট ধ্বনিবিজ্ঞান (Phonemics)** ঃ কথা কওঁতে শুনা সকলোবোৰ ধ্বনি যে বিশিষ্ট ধ্বনি নহয়, ওপৰত কৈ অহা হৈছে। কোনো এটা ভাষাৰ কোনবোৰ বিশিষ্ট ধ্বনিৰ কি কি উচ্চাৰণ বৈচিত্ৰ্য আছে, ইত্যাদিৰ আলোচনা বিশিষ্ট ধ্বনিবিজ্ঞানৰ ভিতৰুৱা।
- **ধ্বনিতত্ত্ব (Phonology)** ঃ ভাষাত বিশিষ্ট ধ্বনিৰ ভূমিকা (function), এটা বিশিষ্ট ধ্বনিৰ সৈতে আন বিশিষ্ট ধ্বনিৰ সংযোগৰ নিয়ম তথা শব্দৰ আদি-মধ্য-অন্ত্যস্থানত অৱস্থানৰ নিয়ম বিশ্লেষণ আৰু সূত্ৰবদ্ধ কৰা ধ্বনিতত্ত্বৰ প্ৰধান বিষয়। এই ক্ষেত্ৰত প্ৰত্যেক ভাষাৰ নিজস্ব নিয়ম আছে। গতিকে প্ৰত্যেক ভাষাৰ ধ্বনিতত্ত্ব সেই ভাষাৰ নিজস্ব বৈশিষ্ট্য। ধ্বনিবিজ্ঞান (Phonetics) ভাষা বিশেষৰো হ'ব পাৰে বা ভাষাৰ সাধাৰণ ধ্বনিবিজ্ঞানো (General Phonetics) হ'ব পাৰে। কিন্তু বিশিষ্ট ধ্বনিবিজ্ঞান (Phonemics) আৰু ধ্বনিতত্ত্ব (Phonology)-অত কিছু সাধাৰণ প্ৰশ্ন আলোচিত হ'লেও ধ্বনিতত্ত্বৰ এই দুই শাখা প্ৰধানত ভাষাবিশেষক কেন্দ্ৰ কৰিয়েই সমৃদ্ধ হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ধ্বনি মানে কি?


.....

২.৪ বাগিন্দ্রিয়

ধ্বনি উচ্চাৰণত ব্যৱহৃত মানৱ-শৰীৰৰ অংগ-প্ৰত্যঙ্গসমূহক বাগিন্দ্রিয় বোলা হয়। প্ৰকৃততে এই অংগ-প্ৰত্যঙ্গসমূহৰ প্ৰাথমিক কাম (primary function) ধ্বনি সৃষ্টি নহয়; খাদ্য গ্ৰহণ, শ্বাস-প্ৰশ্বাস আদি জৈৱিক কামহে। আচলতে যিবোৰ অংগ-প্ৰত্যঙ্গক আমি বাগিন্দ্রিয় বুলি কওঁ জীৱন প্ৰক্ৰিয়াৰ আপেক্ষিক গুৰুত্ব বিচাৰত ধ্বনি-উচ্চাৰণ সেইবোৰৰ গৌণ ক্ৰিয়াহে (Secondary function)। সিপিঠিত মানুহৰ বাগিন্দ্রিয়ৰ এটি চিত্ৰ সংলগ্ন কৰা হ'ল আৰু তাতেই ধ্বনিসৃষ্টিৰ অংগসমূহ চিহ্নিত কৰি দিয়া হৈছে।

চিত্ৰ ২.২ ঃ বাগিন্দ্ৰিয়ৰ চিত্ৰ

১) ওঁঠ
২) দাঁত
৩) দন্তমূল
৪) কঠিন তালু
৫) কোমল তালু
৬) আলজিভা
৭) নাসিকা বিবৰ
৮) মুখ বিবৰ
৯) জিভা
১০) উপজিহ্বা
১১) গলকোষ
১২) স্বৰতন্ত্ৰী
১৩) কণ্ঠ
১৪) শ্বাসনলী



- **বাগ্‌যন্ত্ৰৰ বিভিন্ন অংগৰ বিৱৰণ ঃ** ধ্বনিৰ উচ্চাৰণত হাঁওফাঁওৰ ভূমিকা গুৰুত্বপূৰ্ণ। হাঁওফাঁওৰ সহায়ত মানুহে উশাহ-নিশাহ লৈ জীৱন ধাৰণ কৰে। হাঁওফাঁওৰ পৰা নিৰ্গত হোৱা বহির্গামী বায়ুপ্ৰৱাহে বাগিন্দ্ৰিয়ৰ বিভিন্ন স্থানত আংশিক বা সম্পূৰ্ণৰূপে বাধাপ্ৰাপ্ত হৈ ধ্বনিৰ সৃষ্টি কৰে। সেয়ে হাঁওফাঁওক বাগ্‌যন্ত্ৰৰ অন্যতম অংগ হিচাপে ধৰাত একো বাধা থাকিব নোৱাৰে। হাওঁফাওঁক বহুতে বাগিন্দ্ৰিয়ৰ ভিতৰত নধৰে। হাওঁফাওঁএ নিজে কোনো ধ্বনি উচ্চাৰণ নকৰে যদিও ধ্বনি সৃষ্টিত অপৰিহাৰ্য বায়ুপ্ৰবাহৰ ক্ষেত্ৰত হাওঁফাওঁৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। সেয়ে নোয়েল আৰ্মফিল্ড নামৰ ধ্বনিবিজ্ঞানী গৰাকীয়ে হাওঁফাওঁক বাগিন্দ্ৰিয়ৰ ভিতৰত স্থান দিছে। হাঁওফাঁওৰ পৰা মুখ আৰু নাসিকা বিবৰেদি বতাহ ওলাই অহা আৰু সোমাই যোৱা যিডাল নলী আছে সেইডালেই হ'ল শ্বাসনলী (wind pipe)। ইয়াৰ তলৰ অংশ হাঁওফাঁওৰে সৈতে যুক্ত আৰু ওপৰৰ অংশ মুখ আৰু নাসিকা বিবৰৰ লগত মিলি গৈছে।

শ্বাসনলীৰ ওপৰৰ ফালে, গলকোষৰ ঠিক তলত যিটো স্ফীত অংশ আছে তাকে ঘটিকা বোলা হয়। শ্বাসনলীৰ এই অংশটোৰ ভিতৰ ভাগ তুলনামূলকভাৱে বেছি ফোপোলা আৰু ইয়াকে স্বৰযন্ত্ৰ বোলে। স্বৰযন্ত্ৰৰ মাজত জিভাৰ দৰে দুচটা কোমল আৰু পাতল মাংসপেশী আছে। ইয়াক স্বৰতন্ত্ৰী বা কণ্ঠতন্ত্ৰী (Vocal Chords) বোলে। হাঁওফাঁওৰ পৰা ওলাই অহা বায়ুপ্ৰৱাহক স্বৰতন্ত্ৰী দুখনে বিভিন্ন ধৰণে নিয়ন্ত্ৰণ কৰি থাকে। স্বৰতন্ত্ৰী দুচটা ডিঙিৰ সন্মুখৰ ফালে পৰস্পৰ লগ লগা আৰু পিছৰ ফালে বিচ্ছিন্ন। স্বৰতন্ত্ৰী দুচটাক বহলাই দিবও পাৰি আৰু কোঁচাই নিবও পাৰি। স্বৰতন্ত্ৰী কোঁচাই নিলে বতাহ অহা-যোৱা কৰিবৰ বাবে মাজত যিটো পথ

ওলায় তাক স্বৰপথ (glottis) বোলে। কোনো কোনো ভাষাবিদে ইয়াক কণ্ঠ বুলি কৈছে। স্বৰতন্ত্রী দুচটা পৰস্পৰৰ পৰা যেতিয়া আঁতৰি থাকে তেতিয়া স্বৰপথেৰে হাঁওফাঁওৰ পৰা কোনো বাধা নোপোৱাকৈ বতাহ ওলাই আহে। এনে ক্ষেত্রত বতাহে স্বৰতন্ত্রীত কঁপনি তুলিব নোৱাৰে। এই অৱস্থাত মানুহে যিবোৰ ধ্বনি উচ্চাৰণ কৰে সেইবোৰক অঘোষ ধ্বনি (Voiceless sound) বোলে। যেনে — অসমীয়া ভাষাৰ ক, খ, ত, থ আদি অঘোষ ধ্বনি। সংস্কৃত ভাষাৰ বৰ্গৰ প্রথম আৰু দ্বিতীয় ধ্বনি সমূহো অঘোষ। আকৌ স্বৰতন্ত্রী দুচটা ওচৰ চপাই আনি যেতিয়া স্বৰপথটোক ঠেক কৰা হয়, তেতিয়া সেই পথেদি ওলাই অহা বতাহে স্বৰতন্ত্রী দুচটাক ঠেলি দিয়ে। ইয়াৰ ফলত স্বৰতন্ত্রী দুচটাত কম্পনৰ সৃষ্টি হয় আৰু সেই কম্পনে এটা সুৰ উৎপাদন কৰে। এই সুৰকেই নাদ বা ঘোষ (Voice) বোলে। এনে অৱস্থাত যি ধ্বনি উচ্চাৰিত হয় তাক ঘোষ ধ্বনি (Voiced sound) বোলে। অসমীয়া ভাষাৰ গ, ঘ, দ, ধ আদি ঘোষ ধ্বনি।



জানি থোৱা ভাল

যি ধ্বনি উচ্চাৰণ কৰোঁতে কণ্ঠতন্ত্রীৰ কম্পন উঠে তাক ঘোষ ধ্বনি আৰু যি ধ্বনি উচ্চাৰণ কৰোঁতে কণ্ঠতন্ত্রীৰ কম্পন নুঠে তাক অঘোষ ধ্বনি বোলে। সাধাৰণতে স্বৰধ্বনিবোৰ ঘোষ ধ্বনি। কোনো কোনো ভাষাত অঘোষ স্বৰধ্বনিও পোৱা যায়। ব্যঞ্জনধ্বনিবোৰ ঘোষ-অঘোষ দুয়ো প্রকাৰৰ হ'ব পাৰে।

শ্বাসনলী আৰু খাদ্যনলী সমান্তৰালভাৱে ওপৰলৈ ওলাই আহি ডিঙিৰ ভিতৰৰ যি ঠাইত মিলিত হৈ এটা নলীত পৰিণত হৈছে, সেই মিলন স্থানকেই গলকোষ (Pharynx) বোলে। গলকোষ হৈছে মুখ আৰু নাসিকা বিবৰৰ শেষ সীমা। অর্থাৎ ওপৰৰ ফালে ই মুখ আৰু নাসিকা বিবৰৰ লগত যুক্ত। গলকোষৰ ঘর্ষণৰ ফলত যি ধ্বনিৰ সৃষ্টি হয় তাক কণ্ঠনালীয় ধ্বনি বা গলকোষীয় ধ্বনি (Pharyngeal sound) বোলে। অসমীয়া ভাষাৰ 'হ' কণ্ঠনালীয় ধ্বনি।

শ্বাসনলীৰ ওপৰৰ মূৰত জিভাৰ দৰে আন এচটা সৰু মাংসপেশী আছে। ইয়াৰ এটা মূৰ জিহ্বামূলৰ ভিতৰ ফালৰ লগত যুক্ত। ইয়াক উপজিহ্বা (Pharynx)বোলে। এই উপজিহ্বাৰ আচল কাম কি সঠিকভাৱে ক'ব পৰা নাযায়।

উপজিহ্বা আৰু গলকোষৰ পিছতেই বাগ্‌যন্ত্রৰ উল্লেখনীয় অংগ হ'ল মুখ, জিহ্বা আৰু নাসিকা। হাঁওফাঁওৰ পৰা নির্গত বতাহ শ্বাসনলীৰ আহি গলকোষ এৰাৰ পিছত মুখবিবৰ আৰু নাসিকা বিবৰেৰে বাহিৰলৈ ওলায় যায়। সাধাৰণতে উশাহ-নিশাহ লওঁতে বতাহ, নাসিকা বিবৰেদি চলাচল কৰে। নাসিকা বিবৰেদি ওলাই অহা বতাহে যেতিয়া তাৰ চাৰিওফালৰ বেৰত খুন্দিয়ায় তেতিয়া এটা অনুনাসিক নাদ (Nasal Resonance)ৰ সৃষ্টি হয়। এনে নাদৰ ফলত যি ধ্বনি উচ্চাৰিত হয় তাকেই কোৱা হয় নাসিক্য ধ্বনি (Nasal sound)। অসমীয়া ভাষাৰ ঙ, ন, ম ধ্বনি নাসিক্য ধ্বনি। নাসিকা আৰু মুখবিবৰ খোলা থাকিলে আৰু

দুয়ো ফালেদি বতাহ ওলাই আহিলে যি ধ্বনিৰ সৃষ্টি হয় তাক অনুনাসিক ধ্বনি বোলে। অনুনাসিক ধ্বনি সূচিত কৰিবলৈ ‘ঁ’ (চন্দ্রবিন্দু) ব্যৱহাৰ কৰা হয়। কাঁহ ,বাঁহ আদি শব্দৰ অনুনাসিক উচ্চাৰণ হয়।

নাসিকা আৰু মুখবিবৰক যিখন বেৰে পৃথক কৰিছে সেইখনক তালু (Palate) বোলে। তালুখনৰ ওপৰৰ ফালে নাসিকা বিবৰ আৰু তলৰ ফালে মুখবিবৰ। নাসিকা বিবৰত বতাহৰ প্ৰৱাহক বাধা দিবলৈ লৰচৰ কৰিব পৰা কোনো অঙ্গ নাই। মুখবিবৰৰ লগত যুক্ত বাগ্‌যন্ত্ৰৰ বিভিন্ন অংগবোৰ হ’ল — ওঁঠ, দাঁত, তালু আৰু জিহ্বা। এইবোৰ ভিতৰত ওপৰৰ ওঁঠ, ওপৰৰ দাঁত আৰু তালুক উৰ্ধস্থ উচ্চাৰক (Upper Articulator) বোলে। আনহাতে, অতি সহজে সঞ্চালন কৰিব পৰা অঙ্গ (বিশেষকৈ তলৰ ওঁঠ আৰু জিভাখন) কেইটাক উচ্চাৰণ কৰণ (Articulator) বোলে।

২.৫ স্বৰ আৰু ব্যঞ্জনধ্বনি

হাঁওফাঁওৰ পৰা নিৰ্গত হোৱা বহির্গামী বায়ু প্ৰৱাহে বাগিন্দ্রিয়ৰ বিভিন্ন স্থানত (বাগিন্দ্রিয়ৰ চিত্ৰ দ্ৰষ্টব্য) আংশিক বা সম্পূৰ্ণৰূপে বাধাপ্ৰাপ্ত হৈ এনে ধ্বনিৰ সৃষ্টি কৰে। স্বৰতন্ত্রীৰ পৰা ওঁঠ পৰ্যন্ত কোনো স্থানত যদি বহির্গামী বায়ু বাধাপ্ৰাপ্ত হয়, তেতিয়াই ধ্বনিৰ উৎপত্তি হয়। বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহক প্ৰধানতঃ দুটা ভাগত বিভক্ত কৰা হৈছে। স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি।

যিবোৰ ধ্বনি উচ্চাৰণ কৰোঁতে হাঁওফাঁওৰ পৰা বাহিৰলৈ অহা বায়ু প্ৰৱাহে স্বৰতন্ত্রীৰ বাহিৰে মুখবিবৰৰ আন কোনো ঠাইতে বাধাপ্ৰাপ্ত নহয় আৰু জিভাৰ অৱস্থান আৰু ওঁঠৰ আকৃতিৰে বায়ুপ্ৰৱাহ নিয়ন্ত্রণ কৰা হয় সেইবোৰ ধ্বনিকেই স্বৰধ্বনি বোলা হয়। স্বৰধ্বনিসমূহ স্বয়ংসম্পূৰ্ণ অৰ্থাৎ অন্য ধ্বনিৰ আশ্রয় নোলোৱাকৈ উচ্চাৰিত হয়। তদুপৰি স্বৰধ্বনিক একে লেথাৰিয়ে উচ্চাৰণ কৰি থাকিব পাৰি। উদাহৰণস্বৰূপে আমি অ, আ, ই নাইবা উ কৈ বহুত সময় থাকিব পাৰোঁ। স্বৰধ্বনিবোৰ দূৰৰ পৰাই স্পষ্ট ৰূপত শুনা যায়। স্বৰধ্বনিবোৰ ঘোষ ধ্বনি। এনে ধ্বনি উচ্চাৰণ কৰোঁতে স্বৰতন্ত্রীত কম্পনৰ সৃষ্টি হয়। Bernard Block আৰু George L Trager-এ আধুনিক বিচাৰেৰে স্বৰধ্বনিৰ সংজ্ঞা দাঙি ধৰিছে এনেদৰে — “যি ধ্বনিৰ উচ্চাৰণত মুখবিবৰৰ পথটি এনেদৰে বাধামুক্ত হৈ থাকে যে শ্বাসবায়ু, হাওঁফাওঁৰ পৰা প্ৰৱাহিত হৈ ক’তো বাধাগ্রস্ত হৈ বৈ নাযায়, বা ক’তো সংকীৰ্ণ পথেৰে জোৰেৰে পাৰ হ’বলগীয়া নহয়, ক’তো ঘৰ্ষণ নহয় অথবা সৰল পথেৰে পাৰহৈ যাব নোৱাৰি কাষৰীয়া অন্য পথেৰে প্ৰৱাহিত নহয়, কোনো বাগিন্দ্রিয়তে কম্পনৰ সৃষ্টি নকৰে, তেনে ধ্বনিয়েই স্বৰধ্বনি।” এক কথাত স্বৰধ্বনিৰ সৃষ্টিত বায়ুপ্ৰৱাহক বাধা দিয়া নহয়। সেয়ে স্বৰধ্বনিবোৰক অনিয়ত বা প্ৰবাহ ধ্বনি বোলা হয়। স্বৰধ্বনিৰ সৃষ্টিত বিশেষ ভূমিকা লোৱা কথাকেইটা হ’ল— (ক) জিহ্বাৰ অৱস্থান, (খ) মুখবিবৰৰ বিস্তৃতিৰ পৰিমাপ, (গ) ওঁঠৰ আকৃতি।

হাওঁফাওঁৰ পৰা ওলাই অহা বায়ু মুখবিবৰ পোৱাৰ পিছত জিভাখনৰ বিভিন্ন অংশ উঠা-নমা কৰিলে, ওঁঠ দুটাৰ অৱস্থান কিছু লৰচৰ কৰিলে বা মুখগহ্বৰৰ বিস্তৃতি কম-বেছি কৰিলে বায়ুপ্রবাহ কলিত হয় আৰু ধ্বনিবৈচিত্র্যৰ সৃষ্টি হয়। ইয়াৰ আধাৰতেই স্বৰধ্বনিক শ্রেণীবিভাজনো কৰা যায়।

উশাহৰ একেটা টানতে দুটা স্বৰধ্বনি একেলগে উচ্চাৰণ কৰোঁতে যদি এটা অক্ষৰত পৰিণত হয়, তেতিয়া তাক দ্বিস্বৰধ্বনি বোলে। অসমীয়াত থকা দ্বিস্বৰধ্বনি কেইটামান এনেকুৱা — আই, আউ, ইউ, উই, এ'ই, এ'উ অ'ই, অ'উ। দ্বিস্বৰধ্বনি প্রয়োগ হোৱা কেইটামান শব্দ হ'ল — ভাই, বাই, ঘিউ, জিউ, হাইতাল, সেই, নেউল, নৈ, মৌ, জুই ইত্যাদি। নামনি অসমৰ উপভাষাত ত্রিস্বৰধ্বনিও পোৱা যায়। যেনে — কেউইলা, দেউইলা আদি। কামৰূপী উপভাষাত চতুঃ স্বৰৰো প্রয়োগ আছে। যেনে — অউআই।

বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহৰ আনটো ভাগ হ'ল ব্যঞ্জনধ্বনি। হাঁওফাঁওৰ পৰা অহা বতাহ মুখৰ ভিতৰত সম্পূর্ণ বা আংশিক ৰূপে বাধা পাই উচ্চাৰিত হোৱা ধ্বনিয়েই ব্যঞ্জনধ্বনি। ব্যঞ্জনধ্বনিক স্বৰধ্বনিৰ নিচিনাকৈ একে লেথাৰিয়ে উচ্চাৰণ কৰিব নোৱাৰি। উদাহৰণস্বৰূপে — ক, ত, প, নাইবা ব বুলি বহুত সময় উচ্চাৰণ কৰি থাকিব নোৱাৰি। অৱশ্যে ঘঁহনি খাই হোৱা ব্যঞ্জনধ্বনিক বহুত সময় উচ্চাৰণ কৰি থাকিব পৰা যায়। যেনে— অসমীয়া ভাষাৰ চ, জ, স, হ ধ্বনি। ব্যঞ্জনধ্বনি স্বৰধ্বনি অবিহনে উচ্চাৰণ কৰিব নোৱাৰি। কিছুমান ব্যঞ্জনধ্বনি দূৰৰ পৰা স্পষ্ট ৰূপত শুনা নাযায়। Bernard Block আৰু George L Trager-এ আধুনিক বিচাৰেৰে ব্যঞ্জনধ্বনিৰ সংজ্ঞা দাঙি ধৰিছে এনেদৰে — "যি ধ্বনি উচ্চাৰণত শ্বাসবায়ু স্বৰপথ (glottis) বা মুখবিবৰৰ কোনো অংশত বাধা পাই কিছু ক্ষণৰ বাবে সংকীর্ণ পথেৰে জোৰকৈ পাৰহৈ যায় — পাৰহৈ যাওঁতে ঘর্ষণৰ সৃষ্টি কৰে, অথবা মুখেৰে ওলাই যাবলৈ সম্মুখত বাধা থকাত কাষৰীয়া অন্য পথেৰে প্রৰাহিত হয়, অথবা স্বৰতন্ত্রীৰ ওপৰভাগৰ (supraglottal) অন্য কোনো বাগিন্দ্রিয়ত কম্পনৰ সৃষ্টি কৰে, তেনে ধ্বনিক ব্যঞ্জনধ্বনি বোলা হয়।" কিন্তু সকলো ব্যঞ্জনধ্বনিৰ ক্ষেত্রত বাধাৰ স্বৰূপ আৰু মাত্রা একে নহয়। ব্যঞ্জনধ্বনিৰ বৈশিষ্ট্য দুটা কথাৰ ওপৰত নির্ভৰ কৰে— ১) উচ্চাৰণ স্থান (Points/places of Articulation) আৰু ২) উচ্চাৰণ প্রকৃতি (Nature of Articulation)ৰ ওপৰত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ স্বৰধ্বনি কাক বোলে?

.....

প্রশ্ন নং ৩ ঃ অসমীয়াত দ্বিস্বৰধ্বনি আছে নে? আছে যদি কেইটামান উদাহৰণ উল্লেখ কৰক।

.....

২.৬ বিশিষ্ট ধ্বনি আৰু উপধ্বনি

যিবোৰ ধ্বনিৰ উচ্চাৰণ স্পষ্ট; বক্তা আৰু শ্ৰোতাৰ কাণত বাজি উঠে সেইবোৰক বিশিষ্ট ধ্বনি বোলে। বিশিষ্ট ধ্বনিবোৰ একোটা গোট (Unit); এনে ধ্বনিগোটত এটা বা একাধিক ধ্বনি সন্নিৱিষ্ট হৈ বা লুকাই থাকে। বিশিষ্ট ধ্বনিৰ শব্দ পৃথক কৰিব পৰা ক্ষমতা থাকে। দুটা ধ্বনিৰ প্ৰয়োগত যদি বিৰোধ ঘটে অৰ্থাৎ অভিন্ন পৰিৱেশত এটাৰ ঠাইত আনটো বহুৱালে যদি অৰ্থৰ পৰিৱৰ্তন ঘটে তেনেহ'লে সেইবোৰ বিশিষ্ট ধ্বনি। যেনে —

কাল — ক - আ - ল

খাল — খ - আ - ল

ইয়াত আদ্যস্থানত থকা ক ধ্বনিৰ সলনি খ ধ্বনি ব্যৱহাৰ কৰা হৈছে অভিন্ন পৰিৱেশত। ফলত যি দুটা শব্দ পোৱা গ'ল সেয়া সম্পূৰ্ণ পৃথক অৰ্থযুক্ত শব্দ। সেয়ে অসমীয়াৰ ক আৰু খ বিশিষ্ট ধ্বনি।

বিশিষ্ট ধ্বনিৰে অন্য নাম বৰ্ণ। গোলোক চন্দ্ৰ গোস্বামীয়ে বিশিষ্ট ধ্বনি বুজাবলৈ 'বৰ্ণ' শব্দৰ প্ৰয়োগ কৰে আৰু 'বৰ্ণ' আৰু 'আখৰ'ৰ মাজত ভেদ প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰে। আখৰ হ'ল বৰ্ণ বা বিশিষ্ট ধ্বনিৰ দৃশ্যমান প্ৰতীক। আখৰ আৰু বৰ্ণ সমাৰ্থক নহয়। অসমীয়া ভাষাৰ স্ৱৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণত থকা আখৰৰ তুলনাত বৰ্ণ বা বিশিষ্ট ধ্বনিৰ সংখ্যা আপেক্ষিকভাৱে কম।



জানি থোৱা ভাল

ইংৰাজী Phoneme শব্দটোৰ পৰিভাষা হিচাপে অসমীয়াত 'বিশিষ্ট ধ্বনি' শব্দটো ব্যৱহাৰ কৰা হয়। এই শব্দটো ১৮৭৬ খ্ৰীষ্টাব্দত ফৰাচী ভাষাতত্ত্ববিদ লুই আভে (Lauis Havet)ই আৱিষ্কাৰ কৰে । তেওঁ অৱশ্যে 'বাগধ্বনি' অৰ্থতেই শব্দটো ব্যৱহাৰ কৰিছিল। সুস্পষ্টভাৱে বিশিষ্ট ধ্বনিৰ অৰ্থত শব্দটোৰ প্ৰথম ব্যৱহাৰ কৰে পোলিচ ভাষাবিজ্ঞানী বোদুআঁ দি কুৰ্ত্যনে (Jan Baudouin de courtenay)।

এতিয়া আন এটা উদাহৰণ গ্ৰহণ কৰা যাওক —

১) ভাল — ভ +আ +ল

২) লাভ — ল +আ +ভ

প্ৰথম শব্দটোত 'ভ' ধ্বনিৰ উচ্চাৰণ যেনেদৰে হৈছে দ্বিতীয়টোত কিন্তু তেনেদৰে হোৱা নাই বা নোৱাৰি। অৰ্থাৎ প্ৰথম শব্দৰ ভ-ৰ উচ্চাৰণ সদায় শব্দৰ আদি স্থানত আৰু দ্বিতীয় শব্দৰ ভ-ৰ উচ্চাৰণ শব্দৰ অন্ত্যস্থানতহে হয়। এটাৰ ঠাইত আনটো বহুৱাব নোৱাৰি। সেয়ে দুয়োটা 'ভ' ধ্বনিৰ মাজত বিৰোধৰ প্ৰশ্নই নাহে। গতিকে দুয়োটা পৃথক বিশিষ্ট ধ্বনি নহয়। এনে প্ৰয়োগক

পৰিপূৰক প্ৰয়োগ বোলে। পৰিপূৰক প্ৰয়োগ হোৱা ধ্বনিবোৰক এটা বিশিষ্ট ধ্বনিৰে উপধ্বনি বোলা হয়। ধ্বনি এটাৰ আগে পাছে কি ধ্বনি আছে, সেয়েই ধ্বনিটোৰ পৰিৱেশ। পৰিপূৰক প্ৰয়োগৰ ক্ষেত্ৰত এই পৰিৱেশৰ গুৰুত্ব সৰ্বাধিক। কোনো ধ্বনি (উপধ্বনি) শব্দৰ শেষত/বা আদিত/বা মধ্যত বহে। কোনো ধ্বনি (উপধ্বনি)আকৌ 'ৰ'-ৰ পিছতহে উচ্চাৰিত হয়, ইত্যাদি। বিশিষ্ট ধ্বনি বুজাবলৈ //চিন আৰু উপধ্বনি বুজাবলৈ [ ] চিন ব্যৱহাৰ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ বিশিষ্ট ধ্বনি হিচাপে চিহ্নিত হোৱাৰ মূল চৰ্তটো কি?

.....



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ধ্বনি মানে কি সেই বিষয়ে অৱগত হোৱাৰ লগতে ধ্বনিবিজ্ঞান, বিশিষ্ট ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্ব সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলে।
- মানুহৰ বাগিন্দ্ৰিয়ৰ বিভিন্ন অংগসমূহৰ পৰিচিতি লাভ কৰাৰ লগতে ধ্বনি সৃষ্টিত প্ৰত্যেকটো অংগৰ কামৰ বিষয়ে ধাৰণা লাভ কৰিলে।
- স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি কাক বোলে সেই বিষয়ে অৱগত হ'ল।
- অভিন্ন পৰিৱেশত এটা ধ্বনিৰ ঠাইত আন এটা ধ্বনি বহুৱালে যদি অৰ্থৰ পৰিৱৰ্তন ঘটে তেনেহ'লে সেইবোৰ ধ্বনিকে বিশিষ্ট ধ্বনি বোলা হয়। আনহাতে কেতিয়াবা একোটা বিশিষ্ট ধ্বনিৰ পৰিপূৰক প্ৰয়োগ ঘটে আৰু তেনে ধ্বনিবোৰক এটা বিশিষ্ট ধ্বনিৰে উপধ্বনি বোলে।



২.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কাকতি, বাণীকান্ত (১৯৯৬); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ ১৯৪১)।

২) কোঁৱৰ, অৰ্পণা (২০০৮); *ভাষাবিজ্ঞান উপক্ৰমণিকা;* গুৱাহাটী ঃ বনলতা।

৩) গোস্বামী, উপেন্দ্রনাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

৪) গোস্বামী, উপেন্দ্রনাথ (১৯৯৭); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৫) গোস্বামী, উপেন্দ্রনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৬) গোস্বামী, গোলোকচন্দ্র (১৯৯৯); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৭) গোস্বামী, গোলোকচন্দ্র (১৯৯৬); *অসমীয়া বর্ণপ্রকাশ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৮) গোস্বামী, গোলোকচন্দ্র (২০০৮); *ধ্বনিবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৯) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

১০) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬); *প্রয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

১১) পাঠক, ৰমেশ (১৯৯১); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোকৰ বুক ষ্টল।

১২) পাদুন, নাহেন্দ্র (সম্পাঃ)(১৯৯৩); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১৩) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১৪) পাটগিৰি, দীপ্তি ফুকন (২০০৯); *ভাষা-সাহিত্য-জিজ্ঞাসা;* গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

১৫) বৰা, লীলাৱতী শইকীয়া আৰু পাটগিৰি, দীপ্তি ফুকন (সম্পাঃ) (২০০৩); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

১৬) বৰুৱা, বিৰিঞ্চি কুমাৰ (২০০১); *অসমীয়া ভাষা আৰু সংস্কৃতি;* নলবাৰী ঃ জার্ণল এম্প'ৰিয়াম।

১৭) ভৰালী, দেবানন্দ (১৯৯৩); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৮) মেধি, কালিৰাম (১৯৯৯); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৯) মৰল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্রকাশ।

ইংৰাজী গ্রন্থ ঃ

২০) Anozie, C. C. (2007). *General Linguistics : An Introduction*. Enugu: Tashiwa Network Ltd.

২১) Bally, C. & Sechehaye, A. (ed.)(1959). *Course in General Linguistics.* New York: Philosophical Library.

২২) Bloomfield, L. (1994). *Language*. Delhi: Motilal Banarasidass.

২৩) Crystal, D. (1997). *The Encyclopedia of Language*. Cambridge: CUP.

২৪) Goswami, G. (1982). *Structure of Assamese.* Guwahati: Gauhati University.

২৫) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

২৬) Taraporewalla. I. J. S. (1962). *Elements of the Science of Language.* Calcutta: Calcutta University.



২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাষাবিজ্ঞানত একমাত্ৰ মানুহৰ বাগ্‌যন্ত্ৰৰ সহায়ত অৰ্থাৎ মুখেৰে উচ্চাৰিত হোৱা শ্ৰুয়মান নাদক ধ্বনি বোলা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ যিবোৰ ধ্বনি উচ্চাৰণ কৰোঁতে হাঁওফাঁওৰ পৰা বাহিৰলৈ অহা বায়ু প্ৰৱাহে স্বৰতন্ত্ৰীৰ বাহিৰে মুখবিবৰৰ আন কোনো ঠাইতে বাধাপ্ৰাপ্ত নহয় আৰু জিভাৰ অৱস্থান আৰু ওঁঠৰ আকৃতিৰে বায়ুপ্ৰৱাহ নিয়ন্ত্ৰণ কৰা হয় সেইবোৰ ধ্বনিকেই স্বৰধ্বনি বোলা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ আছে, যেনে— আই, আউ, ইউ, উই, এ'ই, এ'উ অ'ই, অ'উ ইত্যাদি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বিশিষ্ট ধ্বনি হিচাপে চিহ্নিত হোৱাৰ মূল চৰ্তটো হ'ল ধ্বনিৰ প্ৰয়োগত বিৰোধ থাকিব লাগে; অৰ্থাৎ অভিন্ন পৰিৱেশত এটাৰ ঠাইত আন এটা ধ্বনি বহুৱালে যদি অৰ্থৰ পৰিৱৰ্তন ঘটে তেনেহ'লে সেইবোৰ বিশিষ্ট ধ্বনি।



২.১০ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) ধ্বনি বুলিলে কি বুজে?

খ) ধ্বনিৰ কেনেকৈ সৃষ্টি হয়?

গ) বিশিষ্ট ধ্বনি কাক বোলে?

প্ৰশ্ন ২ ঃ দ্বিস্বৰধ্বনি বুলিলে কি বুজে?

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি কাক বোলে?

প্ৰশ্ন ২ ঃ চমুটোকা লিখক — দ্বিস্বৰধ্বনি, বিশিষ্ট ধ্বনি

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বাগিন্দ্রিয় বুলিলে কি বুজে ? ছবি আঁকি ধ্বনি সৃষ্টিৰ অংশসমূহ চিহ্নিত কৰি শব্দ উচ্চাৰণৰ প্রক্রিয়া সম্পর্কে বহলাই লিখক।

প্রশ্ন ২ ঃ ধ্বনিৰ বিৰোধী প্রয়োগ আৰু পৰিপূৰক প্রয়োগ বুলিলে কি বুজে উদাহৰণসহ বুজাই লিখক।

প্রশ্ন ৩ ঃ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ পার্থক্য কেনেধৰণৰ আলোচনা কৰক।

*** ***** ***